# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)ৰ ২৯ জানুৱাৰী ২০২১ চনত মছজিদ মোবাৰক,ইছলামাবাদ (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ উচ্চ মৰ্যাদা সম্পন্ন বদৰি চাহাবী হজৰত উচমান (ৰাঃ)ৰ পৱিত্ৰ গুণাৱলীৰ ঈমান বৰ্দ্ধক বৰ্ণনা।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهٗ لَا شَرِيْكَ لَهٗ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউয আৰু চুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত উচমান (ৰাঃ)ৰ বিভিন্ন যুদ্ধত অংশ গ্ৰহণ কৰা সম্পৰ্কে আলোচনা কৰিম। হজৰত উচমান (ৰাঃ)য়ে বদৰৰ যুদ্ধত অংশ গ্ৰহণ কৰিব পৰা নাছিল কাৰণ এখেত (ৰাঃ)ৰ পত্নী হজৰত ৰুকিয়া বিনতে ৰছুলুল্লাহ (ছাঃ)য়ে কঠিন বেমাৰত পৰিছিল সেয়ে আঁ-হজৰত (ছাঃ)য়ে এখেত (ৰাঃ)ক নিৰ্দেশ দিছিল যে ৰুকিয়াৰ শুশ্ৰূয়াৰ বাবে এখেতে মদিনাত থাকি যাব লাগে। পিছত আঁ-হজৰত (ছাঃ)য়ে হজৰত উচমান (ৰাঃ)ক বদৰৰ যুদ্ধত অংশ গ্ৰহণকাৰী হিচাপেই ধৰি লৈছিল। সেয়ে ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত উচমান (ৰাঃ)ৰ বাবে বদৰৰ যুদ্ধত অংশ গ্ৰহণকাৰী সকলৰ দৰেই যুদ্ধ লব্ধ সামগ্ৰী (মালে গণিমত)ৰ বাবে অংশ নিৰ্ধাৰণ কৰিছিল।

তিনি হিজৰীত গোতফানৰ যুদ্ধ সংগঠিত হৈছিল। সেয়ে নজদ অঞ্চললৈ যাত্ৰা কৰাৰ সময়ত হজৰত ৰছুলে কৰীম (ছাঃ)য়ে হজৰত উচমান (ৰাঃ)ক মদিনাৰ আমিৰ নিযুক্ত কৰিছিল; সেয়ে এখেত (ৰাঃ)য়ে এই যুদ্ধতও অংশ গ্ৰহণ কৰা নাছিল। হজৰত মিৰ্জা বশিৰ আহমদ চাহাব এম,এ,(ৰাঃ)য়ে এই যুদ্ধ সম্পৰ্কে এনেদৰে বৰ্ণনা কৰিছে যে বনু গোথফানৰ কিছুমান কবিলা অৰ্থাৎ বনু শ্বোলবা আৰু বনু মুহাৰবৰ লোক সকলে তেওঁলোকৰ এক যুঁজাৰু সৈন্যদলৰ উচটনীত মদিনা আক্ৰমণ কৰাৰ উদ্দেশ্যে নজদৰ এখন ঠাই জীআমৰত আহি জমা হ'বলৈ লৈছিল। এনেতে আঁ-হজৰত (ছাঃ)য়ে ৪৫০ গৰাকী চাহাবাৰ এক জমাত লৈ মদিনাৰ পৰা যাত্ৰা কৰে আৰু বেগেৰে আহি জীআমৰ নামক ঠাই খনৰ ওচৰ পায়হি। শত্ৰু সকলে আঁ-হজৰত (ছাঃ)য়ে অহাৰ বিষয়ে গম পাই তৎক্ষণাত নিলগতে থকা পাহাৰত উঠি নিজকে নিৰাপদ কৰি লৈছিল অৰ্থাৎ তেওঁলোকে লুকাই পৰিছিল। মুছলমান সকলে জীআমৰত উপস্থিত হৈ ময়দান জন শূন্য পাইছিল। সেয়ে বাধ্য হৈ আঁ-হজৰত (ছাঃ)য়ে লোকক ওভতি যাবলৈ নিৰ্দেশ দিব লগা হৈছিল।

৩ হিজৰী চনৰ শ্বোৱাল মাহত উহুদৰ যুদ্ধ সংগঠিত হৈছিল। হজৰত উচমান (ৰাঃ)য়ে এই যুদ্ধত অংশ গ্ৰহণ কৰিছিল। যুদ্ধ চলাকালীন অৱস্থাত চাহাবা সকলৰ এটা দলে আঁ-হজৰত (ছাঃ)ৰ শ্বাহাদতৰ খবৰ শুনি যুদ্ধ ক্ষেত্ৰৰ পৰা ইফালে সিফালে গুচি গৈছিল। আঁ-হজৰত (ছাঃ)ৰ শ্বাহাদতৰ খবৰ শুনি মুছলমান সকলৰ সাহস,বল,ধৈৰ্য্য সকলো দুৰ্বল হৈ আহিছিল আৰু তেওঁলোকৰ ঐক্য একেবাৰে ভাঙি পৰিছিল। তেতিয়া মুছলমান সকলে তিনিটা শ্ৰেণীত বিভক্ত আছিল। তাৰে এটা শ্ৰেণী আছিল যিসকলে আঁ-হজৰত (ছাঃ)ৰ শ্বাহাদতৰ খবৰ শুনি ছেদেলি-

ভেদেলি হৈ পৰিছিল কিন্তু এই দলটোত লোকৰ সংখ্যা নিচেই তাকৰ আছিল। উক্ত লোকসকলৰ লগত হজৰত উচমান বিন আফফান (ৰাঃ) য়েও চামিল আছিল। কিন্তু কোৰ-আন শ্বৰীফত উল্লেখ আছে যে সেই সময়ৰ এটা বিশেষ অৱস্থা আৰু তেওঁলোকৰ হৃদয়ৰ দৃঢ় ঈমান আৰু একাগ্ৰতাৰ ওপৰত প্ৰাধান্যতা দি আল্লাহ তা'লা তেওঁলোকক ক্ষমা কৰি দিয়ে। দ্বিতীয় দলটোত সেই সকল লোক আছিল,যি সকলে পলায়ন কৰি ইফালে-সিফালে যোৱা নাছিল কিন্তু আঁ-হজৰত (ছাঃ)ৰ শ্বাহাদতৰ খবৰ শুনি তেওঁলোকে হয়তো নিৰাশ হৈ বহি পৰিছিল অথবা তেওঁলোকে আৰু লড়াই কৰাটো নিৰৰ্থক বুলি ভাৱিছিল। সেয়ে তেওঁলোকে ৰণ ভূমি এৰি একাষত গৈ উদাস হৈ বহি পৰিছিল। তৃতীয় দলটোত আছিল সেই লোক সকল যি সকলে অবিৰাম গতিত যুদ্ধ চলাই গৈছিল। এওঁলোকৰ কিছুমানে আঁ-হজৰত (ছাঃ)ৰ চাৰিও ফালে থাকি প্ৰাণটাকি যুঁজ দি নিজৰ বীৰত্ব প্ৰদৰ্শন কৰি আছিল। কিন্তু বেছিভাগ লোকেই ৰণ ভূমিত পৃথক পৃথক ভাৱে যুঁজি গৈছিল।

মুঠতে এয়া বৰ্ণনাত উল্লেখ পোৱা যায় যে হজৰত উচমান (ৰাঃ)য়ে নিৰাশ হৈ নাইবা অইন কোনো কাৰণত সেই সময়ত আঁ-হজৰত (ছাঃ)ৰ শ্বাহাদতৰ খবৰ শুনি তাৰ পৰা গুচি গৈছিল। এনেকি নিৰাশ হৈ বহি থকা সকলৰ মাজত উমৰ (ৰাঃ)ৰ বিষয়েও উল্লেখ পোৱা যায়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এতিয়া মই বৰ্ণনা কৰিম হুদায়বিয়াৰ সন্ধিৰ ক্ষেত্ৰত দূত প্ৰেৰণৰ ঘটনা আৰু বয়াতে ৰিজুৱান সম্পৰ্কে আৰু এই ক্ষেত্ৰত হজৰত উচমান (ৰাঃ)ৰ কি ভূমিকা আছিল আৰু এই সম্পৰ্কে এখেত (ৰাঃ)ৰ বিষয়ে কি ঘটনাৰ উল্লেখ পোৱা যায়।

আঁ-হজৰত (ছাঃ)য়ে সপোনত দেখিছিল যে তেখেত (ছাঃ) আৰু তেখেত (ছাঃ)ৰ চাহাবা সকলে নিৰাপদে নিজৰ মূৰ খুৰাই আৰু কোনোৱে মূৰৰ চুলি চুটিকৈ কাটি বায়তুল্লাহত প্ৰৱেশ কৰি আছে। এই সপোনৰ ভিত্তিত আঁ-হজৰত (ছাঃ)য়ে ৬ হিজৰীৰ জিলকদ মাহত ১৪ শ চাহাবা লগত লৈ উমৰা আদায়ৰ নিমিত্তে মদিনাৰ পৰা মক্কা অভিমুখে যাত্ৰা কৰিছিল। আহি আহি হুদায়বিয়া নামৰ ঠাইত তেখেত (ছাঃ)য়ে বাহৰ পাতি অপেক্ষা কৰিছিল। কুৰাইছ সকলে আঁ-হজৰত (ছাঃ)ক উমৰা হজ কৰিবলৈ বাধা প্ৰদান কৰে। দুয়ো পক্ষৰ মাজত যেতিয়া দূত বাৰ্তাৰ আৰম্ভ হয় আৰু আঁ-হজৰত (ছাঃ)য়ে মক্কা বাসীৰ ক্ৰোধ,হিংসাৰ অৱস্থা সম্পৰ্কে শুনিবলৈ পায় তেতিয়া তেখেত (ছাঃ)য়ে কৈছিল যে এনেকুৱা এজন প্ৰভাৱশালী ব্যক্তিক মক্কালৈ পঠিওৱা যাওঁক যি জন মক্কাৰ বাসিন্দাৰ পৰা হয় আৰু কুৰাইছ সকলৰ শক্তিশালী কবিলা (গোত্ৰ)ৰ সম্পৰ্কীয় হয়। সেয়ে হজৰত উচমান (ৰাঃ)ক এই উদ্দেশ্যে মক্কালৈ পঠোৱা হৈছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে উক্ত ঘটনা বৰ্ণনা কৰোঁতে কয় যে সেই সময়ত কুৰাইছ সকলৰ মাজত এটা আতংকময় পৰিস্থিতিৰ উদ্ৰেক হৈ আছিল আৰু সেই লোক সকলে দুটা ভাগত বিভক্ত হৈ পৰিছিল। ইয়াৰে এটা দলে মুছলমান সকলক মক্কাত প্ৰৱেশ কৰাৰ পৰা ওভতাই পঠোৱাৰ সিদ্ধান্তত অটল আছিল আৰু মুছলমানৰ সৈতে যুঁজ দিবলৈ দৃঢ় প্ৰতিষ্ঠিত ভাৱে সাজু হৈছিল। কিন্তু বেলেগ দলটোৱে মুছলমান সকলক নিজৰ ধৰ্মৰ ৰীতি-নীতিৰ বিৰুদ্ধ দেখি ভয়াতুৰ হৈ পৰিছিল আৰু কিবা এটা সন্মানজনক বুজা-বুজিৰ প্ৰতি আশাবাদি আছিল। সেয়ে তেওঁলোকে নিশ্চিত সিদ্ধান্তত উপনীত হ'ব পৰা নাছিল। গতিকে মক্কাৰ কুৰাইছ সকলে ক্ৰোধৰ বশৱৰ্তী হৈ সিদ্ধান্ত লৈছিল যে এতিয়া যিহেতু আঁ-হজৰত (ছাঃ)য়ে চাহাবা সকলক লৈ যদি ইমানদুৰ ওচৰ পাইছেহি ; তেন্তে সিহঁতৰ ওপৰত আক্ৰমণ চলাই যিমান দূৰ সম্ভৱ হয় সিহঁতৰ ক্ষতি সাধন কৰা যাওঁক। এই উদ্দেশ্যে তেওঁলোকে ৪০/৫০ জনীয়া দল এটা হুদায়বিয়াৰ ফালে পঠিয়াই দিছিল আৰু তেওঁলোকক নিৰ্দেশ দিছিল যে মুছলমান সকলৰ কেম্পৰ চাৰিওফালে ঘূৰি পকি ছেগ চাই তেওঁলোকৰ ক্ষতি সাধন কৰি থাকিবা। এই কুঅভিসন্ধিত কুৰাইছ সকলে আঁ-

হজৰত (ছাঃ)ৰ প্ৰাণ লোৱাৰও ষড়যন্ত্ৰ কৰিছিল। কিন্তু আল্লাহ তা'লাৰ কৃপাত মুছলমান সকলে বৰ সতৰ্কতা অৱলম্বন কৰি আছিল। গতিকে কুৰাইছ সকলৰ সকলো ষড়যন্ত্ৰ ফাদিল হৈ পৰিছিল আৰু সকলোৱে গ্ৰেপ্তাৰ হৈ গৈছিল।

যিয়েই নহওঁক আমি যেতিয়া এই সকলোবোৰ পৰিস্থিতিৰ মাজত আঁ-হজৰত (ছাঃ)ৰ ধৈৰ্য,সাহস আৰু শান্তিৰ চেষ্টা-প্ৰচেষ্টা দেখিবলৈ পাওঁ তেতিয়া আমি গমি চাই দেখিবলৈ পাওঁ যে এয়া এনেকুৱা এক শান্তিকামী ধৈৰ্যশীল প্ৰচেষ্টা আছিল; যাৰ দ্বিতীয় উদাহৰণ বিশ্বজুৰি পাবলৈ নাই। তেখেত (ছাঃ)য়ে সদায় এনেকুৱা পৰিস্থিতিৰ মাজতও আঁ-হজৰত (ছাঃ)য়ে সজ প্ৰচেষ্টা এৰি দিয়া নাছিল বৰং তেখেত (ছাঃ)য়ে হজৰত উমৰ বিন খাত্তাব (ৰাঃ)ক কৈছিল যে আপুনি মক্কালৈ যাওঁক আৰু মুছলমান সকলৰ ফালৰ পৰা দূত হিচাপে কামৰ দায়িত্ব পালন কৰিব লাগে। তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে নিবেদন কৰিছিল যে এই কামৰ বাবে হজৰত উচমান বিন আফফানক নিৰ্বাচিত কৰা যাওঁক কাৰণ বৰ্তমানে তেখেতৰ কবিলা বনু উমাইয়া বৰ প্ৰভাৱশালী আৰু মক্কাবাসীয়ে উচমানৰ বিৰুদ্ধে চয়তানি কৰাৰ সাহস কৰিব নোৱাৰে আৰু এই বিষয়ে তেওঁ কৃতকাৰ্য হোৱাৰ বেছি আশা কৰিব পাৰি। আঁ-হজৰত (ছাঃ)য়ে হজৰত উমৰ (ৰাঃ)ৰ এই পৰামৰ্শ গ্ৰহণ কৰিছিল আৰু হজৰত উচমান (ৰাঃ)ক মক্কালৈ যোৱাৰ নিৰ্দেশ দিছিল যে তেওঁ মক্কালৈ গৈ কুৰাইছ সকলক মুছলমান সকলৰ শান্তিপূৰ্ণ উদ্দেশ্য আৰু উমৰা কৰাৰ নিয়ত সম্পৰ্কে জনাই দিব লাগে আৰু লগতে তেখেত (ছাঃ)য়ে কুৰাইছ সকলৰ নেতৃবৃন্দৰ নামত নিজৰ ফালৰ পৰা এখন পত্ৰ লিখি হজৰত উচমান (ৰাঃ)ৰ হাতত গতাই দিয়ে। উক্ত পত্ৰখনত আঁ-হজৰত (ছাঃ)য়ে তালৈ অহাৰ উদ্দেশ্য বৰ্ণনা কৰি কুৰাইছ সকলক নিশ্চয়তা দিছিল যে আমাৰ ইয়ালৈ অহাৰ একমাত্ৰ উদ্দেশ্য হ'ল এক ইবাদত সম্পন্ন কৰা আৰু আমি শান্তিপূৰ্ণ ভাৱে উমৰা কৰি ওভতি যাম। ইয়াৰ পিছত আঁ-হজৰত (ছাঃ)য়ে হজৰত উচমান (ৰাঃ)ক এয়াও কৈছিল যে মক্কাত যিসকল দুৰ্বল মুছলমান ৰৈ আছে, তেওঁলোকৰ লগত সাক্ষাৎ কৰিবলৈ চেষ্টা কৰিবা আৰু তেওঁলোকক সাহস দি কবা যে আৰু কিছু সময় ধৈৰ্য্য ধাৰণ কৰি থাকা; খোদা অনতিপলমেই কৃতকাৰ্যতাৰ বাট মুকলি কৰি দিব। এইবোৰ বাৰ্তা লৈ হজৰত উচমান (ৰাঃ)য়ে মক্কালৈ গৈছিল আৰু আবু ছুফিয়ানৰ লগত মিলি মক্কাৰ বাসিন্দা সকলৰ এখন সাধাৰণ সভাত উপস্থিত হৈছিল। সেই সভাত হজৰত উচমান (ৰাঃ)য়ে আঁ-হজৰত (ছাঃ)ৰ লিখনি আগবঢ়ায়। কিন্তু এয়া সত্বেও সকলো লোকেই তেওঁলোকৰ আঁৰিত দৃঢ় থাকে যে কোনো পধ্যেই মুছলমান সকলে এই বছৰ মক্কাত প্ৰৱেশ কৰিব নোৱাৰে। হজৰত উচমান (ৰাঃ)য়ে এই বিষয়ে জোৰ দিয়াত কুৰাইছ সকলে কয় যে যদি তোমাৰ ইমান ইচ্ছা আছে তেন্তে আমি হজৰত উচমান (ৰাঃ)য়ে কৈছিল-এয়া কেনেকৈ সম্ভৱ হ'ব পাৰে যে ৰছুলুল্লাহ (ছাঃ)ক মক্কাৰ বাহিৰত ৰখা হ'ব আৰু মই বায়তুল্লাহ তোৱাফ কৰিম ? কিন্তু কুৰাইছ সকলে কোনো পধ্যেই এই কথাটো মানি লোৱা নাছিল আৰু অৱশেষত হজৰত উচমান (ৰাঃ)য়ে নিৰাশ হৈ ওভতি আহিবলৈ সাজু হ'বলৈ লৈছিল। এনেতে মক্কাৰ কিছুমান দুষ্ট লোকে চয়তানি কৰি হজৰত উচমান (ৰাঃ) আৰু তেখেতৰ লগৰীয়া সকলক মক্কাতেই বাধা দি ৰাখে। যাৰ ফলত মুছলমান সকলৰ মাজত এক উৰা বাতৰি প্ৰচাৰ হৈ পৰে যে মক্কাৰ লোক সকলে হজৰত উচমান (ৰাঃ)ক হত্যা কৰি পেলাইছে।

যেতিয়া এই খবৰ আহি হুদায়বিয়া পায়হি তেতিয়া মুছলমান সকলৰ মাজত এক উত্তেজনাময় পৰিস্থিতিৰ সৃষ্টি হয় কাৰণ হজৰত উচমান (ৰাঃ) আঁ-হজৰত (ছাঃ)ৰ জোঁৱাই আৰু এজন মৰ্যাদা সম্পন্ন চাহাবা আছিল আৰু এজন ইছলামী দূত হিচাপে তেখেতে মক্কালৈ গৈছিল। আঁ-হজৰত (ছাঃ)য়ে তৎক্ষণাত সকলো মুছলমানক ঘোষণা কৰি দিছিল যে তেওঁলোকে আহি বাবুল গছৰ তলত গোট খাব লাগে। তেতিয়া সকলো মুছলমানেই অতি সোনকালে আহি সেই গছৰ তলত জমা হৈছিল। তেতিয়া আ-ঁহজৰত (ছাঃ)য়ে কৈছিল- যে যদি এই খবৰ সঁচা হয়

তেন্তে খোদা তা'লাৰ শপত। আমি উচমানক হত্যা কৰাৰ প্ৰতিশোধ নোলোৱাকৈ এই ঠাইৰ পৰা আঁতৰি নাযাওঁ। আকৌ তেখেত (ছাঃ)য়ে চাহাবা সকলক নিৰ্দেশ দিছিল, তোমালোকে আহা আৰু মোৰ হাতত হাত ৰাখি এয়া শপত লোৱা যে তোমালোকৰ কোনেও পিঠি প্ৰদৰ্শন নকৰিবা আৰু নিজৰ প্ৰাণ বিসৰ্জন দিবা কিন্তু নিজৰ ঠাই এৰি নিদিবা। এই ঘোষণা শুনাৰ লগে লগে চাহাবা সকলে বয়াত কৰিবলৈ এনেকৈ জপিয়াই আহিছিল যে আগতে আহি পাবলৈ এজনে আনজনৰ ওপৰত ওফৰি পৰিছিল। যেতিয়া বয়াত হৈ আছিল তেতিয়া আঁ-হজৰত (ছাঃ)য়ে নিজৰ বাওঁহাত সোঁহাতৰ ওপৰত ৰাখি কৈছিল যে এয়া উচমানৰ হাত। যদি তেওঁ ইয়াতে থাকিলহেঁতেন তেন্তে তেওঁ এতিয়া খোদা আৰু তাৰ ৰছুলৰ নিৰ্দেশিত কামত ব্যস্ত আছে।

ইছলামী ইতিহাসত এই বয়াত বয়াতে ৰিজুৱান নামেৰে বিখ্যাত। অৰ্থাৎ এয়া সেই বয়াত য'ত মুছলমান সকলে খোদা তা'লাৰ পূৰ্ণ সন্তুষ্টিৰ পুৰস্কাৰ লাভ কৰিছে।  কোৰ-আন শ্বৰীফও এই বয়াত সম্পৰ্কে বিশেষ ভাৱে উল্লেখ কৰিছে। যেনেকৈ কৈছে যে, لَقَدْ رَضِيَ اللّٰهُ عَنِ الْمُؤْمِنِيْنَ اِذْ يُبَايِعُوْنَكَ تَحْتَ الشَّجَرَةِ فَعَلِمَ مَا فِيْ قُلُوْبِهِمْ فَاَنْزَلَ السَّكِيْنَةَ عَلَيْهِمْ وَاَثَابَهُمْ فَتْحًا قَرِيْبًا অৰ্থাৎ আল্লাহ তা'লা মুছলমান সকলৰ ওপৰত সন্তুষ্ট হৈছে  হে ৰছুল ! যেতিয়া তেওঁলোকে এটা গছৰ তলত তোমাৰ ওচৰত বয়াত কৰি আছিল কাৰণ এই বয়াতৰ জৰিয়তে খোদা তা'লা তেওঁলোকৰ হৃদয়ৰ গুপ্ত একাগ্ৰতা প্ৰকাশ্য জানি লৈছে। গতিকে খোদা তা'লাই তেওঁলোকৰ ওপৰত শান্তি অৱতীৰ্ণ কৰিছে আৰু তেওঁলোকক অতি সন্নিকটতে নিজৰ পুৰস্কাৰেৰে ভুষিত কৰিছে।

যেতিয়া কুৰাইছ্ সকলে এই বয়াত সম্পৰ্কে খবৰ পাইছিল তেতিয়া তেওঁলোকে বৰ আতকিংত হৈ পৰিছিল আৰু কেৱল হজৰত উচমান (ৰাঃ)আৰু তেখেতৰ লগৰীয়া সকলেই এৰি দিয়া নাছিল বৰং লগতে দূত সকলক নিৰ্দেশ দিছিল যে এতিয়া যেনেকৈয়ে হওঁক মুছলমান সকলৰ লগত চুক্তি স্বাক্ষৰিত কৰি লোৱা। উক্ত চুক্তি পত্ৰৰ চৰ্ত বিলাক তলত উল্লেখ কৰা ধৰণৰ আছিল আঁ-হজৰত (ছাঃ) আৰু তেখেতৰ চাহাবা সকলে এই বছৰ ওভতি যাব লাগিব। অহা বছৰত তেওঁলোকে আহি মক্কাত উমৰাৰ ৰীতি অনুযায়ী উমৰা আদায় কৰিব পাৰিব,কিন্তু খাপত বন্ধ তৰোৱালৰ বাহিৰে বেলেগ কোনো অস্ত্ৰ লগত আনিব নোৱাৰিব আৰু মক্কাত তিনি দিনতকৈ বেছি সময় থাকিব নোৱাৰিব।

যদি কোনো পুৰুষে মক্কাবাসীৰ পৰা মদিনালৈ যায় আৰু তেওঁ যদি মুছলমানও হয়; আঁ-হজৰত (ছাঃ)য়ে তাক আশ্ৰয় দিব নোৱাৰিব বৰং ঘূৰাই মক্কালৈ পঠিয়াব লাগিব। কিন্তু যদি কোনো মুছলমান মদিনা এৰি মক্কালৈ আহি যায় তেন্তে তাক ঘূৰাই দিয়া নহ'ব। আৰবৰ কবায়েল বিলাকৰ পৰা যিকোনো কবিলায় বিচাৰিলে মুছলমানৰ সৈতেও বন্ধুত্ব স্থাপন কৰিব পাৰিব নাইবা বিচাৰিলে মক্কাবাসীৰ সৈতেও বন্ধুত্ব স্থাপন কৰিব পাৰিব। বৰ্তমানৰ এই চুক্তি দহ বছৰলৈকে চলি থাকিব আৰু দহ বছৰলৈকে অৰ্থাৎ দহ বছৰৰ ভিতৰত কুৰাইছ আৰু মুছলমান সকলৰ মাজত যুদ্ধ বন্ধ থাকিব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত উচমান  (ৰাঃ)ৰ বিষয়ে ইনশা আল্লাহ আগলৈ আৰু বৰ্ণনা কৰা হ'ব। দোৱাৰ কথা এতিয়াও মই মনত পেলাই দি আছো। পাকিস্তানৰ পৰিস্থিতি নিৰাপদ হোৱাৰ নিমিত্তে বিশেষ ভাৱে দোৱা কৰিব। আহমদী সকলে আজি ঘৰৰ চাৰি বেৰৰ মাজতও সুৰক্ষিত নহয়। য'তেই বিচাৰে মৌলবী সকলৰ কথা আনুযায়ী প্ৰশাসনে কাম কৰে। কিছুমান সজ প্ৰকৃতিৰ পুলিচ বিষয়ায় কয় যে আপোনালোকৰ প্ৰতি আমাৰ সহানুভূতি আছে কিন্তু আমি কি কৰিম! আমাক ইমান প্ৰেছাৰ দিয়ে য়ে আমাৰ ওপৰৰ বিষয়া সকলে যি কয় তাকেই আমি কৰিব লাগে। আল্লাহ তা'লা এনেকুৱা অসৎ চৰিত্ৰৰ বিষয়া সকলৰ পৰা আমাৰ প্ৰাণ ৰক্ষা  কৰক,

দেশৰ প্ৰাণ নিৰাপদ কৰক, আৰু প্ৰত্যেক আহমদীক স্বাধীন ভাৱে নিৰাপদ নিজৰ দেশত থকাৰ তৌফিক দান কৰক।

বিশেষ মনোযোগেৰে দোৱা কৰি থাকক। দোৱা যদি জাৰি থাকে তেন্তে ইনশা আল্লাহ আমি সোনকালেই দেখিবলৈ পাম যে শত্ৰু সকলৰ পৰিণতি অতি ভয়ানক হৈছে। আল্লাহ তা’লা আমাক দোৱা কৰাৰ তৌফিক দান কৰক। আৰু সেয়া কবুল কৰি লওঁক।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ ۔

---

**ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR aba 29 JANUARY 2021**

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**